**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-05-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। উত্তৰ-পূব ভাৰতৰ অভূতপূৰ্ব বিকাশৰ সম্ভাৱনাৰ অন্বেষণ কৰিবলৈ দেশ-বিদেশৰ বিনিয়োগকাৰীক কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ আহ্বান।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ৰাজ্যৰ উন্নয়ন আৰু বিকাশৰ অগ্ৰগতিৰ খতিয়ান দাখিল।

৩। প্ৰাক্তন ছাত্ৰ নেতা শংকৰজ্যোতি বৰুৱাক আৰক্ষীয়ে হাতকেৰেয়া লগোৱাক লৈ মানৱ অধিকাৰ আয়োগৰ দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ।

৪। অপাৰেচন সিন্দূৰৰ সফলতা আৰু দেশৰ সৈনিকসকলৰ বীৰগাথা প্ৰচাৰৰ আকাশবাণীৰ শৃংখলাত আজি দ্বিতীয় বিশ্বযুদ্ধৰ সময়ৰ ব্ৰিটিছ ভাৰতীয় সেনাবাহিনীৰ জোৱান প্ৰয়াত বৰসিং হান্সেৰ পুত্ৰ নৰ্নে হান্সেৰ অভিমত। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে ছানৰাইজাৰ্ছ হায়দৰাবাদৰ ৪২ ৰানত জয়লাভ।

০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে দেশ-বিদেশৰ বিনিয়োগকাৰীসকলক উত্তৰ-পূব ভাৰতৰ অভূতপূৰ্ব বিকাশৰ সম্ভাৱনা অন্বেষণ কৰিবলৈ আহ্বান জনাইছে। নতুন দিল্লীত অনুষ্ঠিত **ৰাইজিং নৰ্থ-ইষ্ট বিনিয়োগকাৰী সন্মিলনত** অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে নতুন ভাৰতৰ বুকুত বৰ্তমান উত্তৰ-পূৰ্বাঞ্চল উন্নয়নশীল অঞ্চলৰূপে পৰিগণিত হৈছে। সন্মিলনখনৰ উত্তৰ-পূবৰ আন্তঃগাঁথনিৰ বাবে সম্ভাৱনীয়তা মুকলিকৰণ বিষয়ত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত উত্তৰ-পূৰ্বাঞ্চলত যুগান্তকাৰী পৰিৱৰ্তন সম্ভৱ হৈছে বুলি মন্তব্য কৰে। তেওঁ কয়, যে এসময়ত যিটো অঞ্চল অনুন্নত আৰু বিচ্ছিন্ন বুলি গণ্য কৰা হৈছিল, এতিয়া এই অঞ্চলটো দেশৰ বাবে দক্ষিণ-পূব এছিয়াৰ প্ৰৱেশদ্বাৰত পৰিণত হৈছে। তেওঁ কয়, যে এই অঞ্চলটো কেৱল ভাৰতৰ বিকাশৰ এটা অংশ নহয়, ই এটা বৃহৎ অধ্যায়। নতুন দিল্লীৰ ভাৰত মণ্ডপমত কালিৰ পৰা দুদিনীয়াকৈ আয়োজিত এই সন্মিলনত ৰাজ্যৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰায়ো অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে যোগীঘোপাত ৰাজ্য চৰকাৰে স্থাপন কৰা মাল্টি মডেল লʼজিষ্টিক পাৰ্কখনে বিনিয়োগকাৰীসকলক লাভান্বিত কৰিব বুলি মন্তব্য কৰে। তেওঁ লগতে শেহতীয়াকৈ অনষ্ঠিত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত ৰাজ্যখনত বিনিয়োগৰ বাবে আগবঢ়োৱা প্ৰস্তাৱসমূহৰ বিষয়টো আলোকপাত কৰে। উল্লেখযোগ্য যে, নতুন দিল্লীত কালি **ৰাইজিং নৰ্থ-ইষ্ট** বিনিয়োগকাৰী

সন্মিলন মুকলি কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলক পৰ্যটনৰ ৰম্যভূমি বুলি উল্লেখ কৰি কয়, যে এই অঞ্চল আন্তৰাষ্ট্ৰীয় সন্মিলন, সংগীত সন্মিলন তথা আকৰ্ষণীয় বিবাহৰ স্থান হিচাপে পৰিগণিত হোৱাৰ থল আছে।

০০০০০০

উত্তৰ-পূৰ্বাঞ্চলত অনাগত ৫ বছৰত ৰিলায়েন্স ইণ্ডাষ্ট্ৰীজে ৭৫ হাজাৰ কোটি টকা বিনিয়োগ কৰিব বুলি ৰিলায়েন্সৰ অধ্যক্ষ মুকেশ আম্বানীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত অনুষ্ঠিত ৰাইজিং নৰ্থ-ইষ্ট বিনিয়োগকাৰী সন্মিলনত অংশ লৈ অধ্যক্ষগৰাকীয়ে কয়, যে এই পুঁজি ৩৫০টা জৈৱ গেছ প্ৰকল্প, দূৰসংযোগ সেৱাৰ সম্প্ৰসাৰণ, বিশুদ্ধ শক্তি প্ৰকল্প আদিকে ধৰি বিভিন্ন খণ্ডত বিনিয়োগ কৰা হ'ব। ইয়াৰ ফলত ২৫ লাখ প্ৰত্যক্ষ আৰু পৰোক্ষ নিয়োগৰ সুযোগ সৃষ্টি হ'ব বুলি শ্ৰীআম্বানীয়ে উল্লেখ কৰে।

**বাইট (আম্বানী)**

আদানী গ্ৰুপৰ অধ্যক্ষ গৌতম আদানীয়েও অহা ১০ বছৰত উত্তৰ-পূৰ্বাঞ্চলত সেউজ শক্তি, পথ, ৰাষ্ট্ৰীয় ঘাইপথ আৰু ডিজিটেল আন্তঃগাঁথনিকে ধৰি বিভিন্ন ক্ষেত্ৰত অতিৰিক্তভাৱে ৫০ হাজাৰ কোটি টকা বিনিয়োগ কৰা হ'ব বুলি প্ৰকাশ কৰিছে।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰি অসমৰ উন্নয়ন আৰু বিকাশকেন্দ্ৰিক বিভিন্ন বিষয়লৈ আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ শেহতীয়া পঞ্চায়ত নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে লাভ কৰা অভূতপূৰ্ণ সফলতাৰ বিষয়ে গৃহমন্ত্ৰীগৰাকীক অৱগত কৰে। ড০ শৰ্মাই মাওবাদী নিৰ্মূলৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ পদক্ষেপ তথা এইক্ষেত্ৰত লাভ কৰা বৃহৎ সফলতাৰ বাবে শ্ৰীশ্বাহক অভিনন্দন জনায়।

মুখ্যমন্ত্ৰী শৰ্মাই ইয়াৰ পাছত কেন্দ্ৰীয় ৰাসায়নিক আৰু সাৰ মন্ত্ৰী জে পি নাড্ডাক সাক্ষাৎ কৰি নামৰূপৰ ব্ৰাউন ফিল্ড এম'নিয়া ইউৰিয়া পৰিসৰৰ বাবে তৃণমূল পৰ্যায়ৰ কাম ত্বৰান্বিত কৰিবলৈ অনুৰোধ জনায়। উল্লেখযোগ্য যে চলিত বৰ্ষতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় মন্ত্ৰীসভাই নামৰূপ সাৰ কাৰখানাৰ নতুন গোট স্থাপনৰ বাবে ১০ হাজাৰ ৬০১ কোটি ৪০ লাখ টকাত অনুমোদন জনাইছিল। মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই আলোচনাকালত ৰাজ্যৰ চিকিৎসা শিক্ষা সুবিধা বৃদ্ধি আৰু নতুন নাৰ্ছিং মহাবিদ্যালয় স্থাপনৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ সহযোগিতা কামনা কৰে। তেওঁ লগতে আয়ুষ্মান ভাৰত আৰু প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ জৰিয়তে হিতাধিকাৰীসকলৰ সৰ্বাধিক লাভালাভ নিশ্চিত কৰিবলৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক আহ্বান জনায়।

০০০০০০

শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে কালি অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন পৰিষদৰ ৰাজ্যিক পৰ্যায়ৰ সমিতিৰ এখন বৈঠকত অধ্যক্ষতা কৰে। সমগ্ৰ শিক্ষা অসমৰ সভাকক্ষত অনুষ্ঠিত এই বৈঠকত প্ৰথম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ ৫২ লাখ ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া পাঠ্যপুথি প্ৰদান কাৰ্যসূচীৰ পৰ্যালোচনা কৰা হয়। এই বৈঠকতে ২০২৬-২৭ শৈক্ষিক বৰ্ষৰ বাবে বিনামূলীয়া পাঠ্যপুথিৰ প্ৰণয়ন আৰু বিতৰণৰ পৰিকল্পনা তথা সময়সীমা নিৰ্ধাৰণ কৰা হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শিক্ষামন্ত্ৰীগৰাকীয়ে বিনামূলীয়া পাঠ্যপুথিৰ সবিশেষ তথ্য আৰু বিতৰণ প্ৰক্ৰিয়া নিয়াৰিকৈ পৰিচালনাৰ ক্ষেত্ৰত শিক্ষা সেতুৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি উল্লেখ কৰে।

০০০০০০

মানৱ অধিকাৰ আয়োগে সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাক আৰক্ষীয়ে হাতকেৰেয়া লগাই আদালতত হাজিৰ কৰোৱা বিষয়টো সন্দৰ্ভত দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিছে। ডিব্ৰুগড় জিলা আয়ুক্তক সবিশেষ নথি-পত্ৰসহ শীঘ্ৰে এই তদন্তৰ প্ৰতিবেদন দাখিল কৰিবলৈও নিৰ্দেশ দিয়া হৈছে। আনহাতে নিৰ্দেশনাটোত ডিব্ৰুগড় আৰক্ষী অধীক্ষকক শংকৰজ্যোতি বৰুৱাৰ বিৰুদ্ধে ৰুজু হোৱা গোচৰৰ তদন্তৰ শেহতীয়া তথ্য মানৱ অধিকাৰ আয়োগক জমা দিবলৈ কোৱা হৈছে। উল্লেখযোগ্য যে ডিব্ৰুগড় জিলাৰ দুলিয়াজানৰ এটা তেলডিপোত দুটা পক্ষৰ মাজত হোৱা মাৰপিটৰ ঘটনাক কেন্দ্ৰ কৰি কালি কেইবাটাও দল সংগঠনে দুলিয়াজান বন্ধৰ আহ্বান জনাইছিল। ১১ টা জাতীয় জনগোষ্ঠীয় সংগঠনে আহ্বান জনোৱা এই বন্ধৰ সময়ছোৱাত একাধিক বিক্ষিপ্ত ঘটনা সংঘটিত হয়। এই বন্ধৰ প্ৰতি দুলীয়াজানবাসীয়ে স্বতঃস্ফূৰ্ত সঁহাৰি জনোৱাৰ ফলত চহৰখনৰ দোকান-বজাৰ, চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, যান-বাহনৰ চলাচল আদি বন্ধ হৈ পৰে।

ইফালে, দুলিয়াজানত প্ৰতিবাদ সাব্যস্ত কৰিবলৈ যোৱা বীৰ লাচিত সেনা অসমৰ মুৰববী শৃংখল চলিহাক ডিব্ৰুগড় আৰক্ষীয়ে কালি নিশা মুকলি কৰি দিয়ে। ডিব্ৰুগড়ৰ অতিৰিক্ত আৰক্ষী অধীক্ষক নিৰ্মল ঘোষে জনোৱা মতে, শিৱসাগৰৰ পৰা দুলিয়াজানলৈ প্ৰতিবাদৰ বাবে গৈ থকা সময়ত কালি দুপৰীয়া শৃংখল চলিহাক আটক কৰা হৈছিল।

০০০০০০

অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত সেনা বাহিনীয়ে লাভ কৰা সফলতাৰ পটভূমিত দেশৰ হকে অপৰিসীম সাহসেৰে যুঁজ দিয়া ৰাজ্যখনৰ প্ৰাক্তন সৈনিক, তেওঁলোকৰ পৰিয়াল আৰু সমাজৰ নেতৃস্থানীয় লোকৰ মতামত প্ৰচাৰৰ শৃংখলাত আজি আমি লৈ আহিছো ব্ৰিটিছৰ আমোলত পৰাক্ৰম প্ৰদৰ্শন কৰা এগৰাকী ভাৰতীয় সেনাবাহিনীৰ জোৱানৰ কথা। ভাৰতীয় সেনাবাহিনীৰ বীৰত্বৰ পৰম্পৰা বহুদিনীয়া। দ্বিতীয় বিশ্বযুদ্ধৰ সময়তো ব্ৰিটিছ-ভাৰতীয় সেনাবাহিনীয়ে অপৰিসীম সাহসেৰে যুঁজ দিছিল। কাৰ্বি আংলং জিলাৰ তেনে এজন বীৰ জোৱান প্ৰয়াত বৰছিং হানচেৰ বিষয়ে পুত্ৰ নৰ্নে হানচেই আমাৰ ডিফুৰ সংবাদদাতা কাংবুৰা ছিংনাৰৰ আগত এই মত ব্যক্ত কৰে। –

**(বাইট)**

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত সংবাদ মাধ্যমৰ ভূমিকা শীৰ্ষক এটা বিশেষ আলোচনা প্ৰচাৰ কৰিব। ইয়াত ভাগ ল'ব বিশিষ্ট গৱেষক, তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° চন্দন শৰ্মা আৰু সংবাদ মাধ্যম বিশেষজ্ঞ ৰামন বৰাই। অনুষ্ঠানটিৰ আঁত ধৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০

কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অসামৰিক সেৱাৰ প্ৰাৰম্ভিক পৰীক্ষা কাইলৈ অনুষ্ঠিত হ'ব। দেশৰ বিভিন্ন কেন্দ্ৰৰ লগতে গুৱাহাটীৰ মুঠ ২৬ টা কেন্দ্ৰত এই পৰীক্ষা অনুষ্ঠিত হ'ব। গুৱাহাটীৰ পৰীক্ষা কেন্দ্ৰসমূহত মুঠ ১০ হাজাৰ ৫৮৭ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত আৰক্ষীয়ে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ অধীনত কেতবোৰ নীতি নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি পৰীক্ষাকেন্দ্ৰৰ এশ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত

পৰীক্ষাৰ্থী, পৰীক্ষা পৰিচালনাৰ সৈতে জড়িত বিষয়া, আৰক্ষী, আৰু চৰকাৰ অথবা জিলা আয়ুক্তৰ কৰ্তৃত্বপ্ৰাপ্ত লোকৰ বাহিৰে আন লোকৰ  প্ৰৱেশ নিষিদ্ধ কৰা হৈছে।

oooooo

খেলো ইণ্ডিয়া বীচ্ছ্ গেমছত অসমে এটা সোণসহ ৮ টা পদক জয়েৰে অভিযান সমাপ্ত কৰিছে। দমন আৰু দিউৰ লগতে দাদাৰা আৰু নগৰ হাবেলীত অনুষ্ঠিত উদ্বোধনী বৰ্ষৰ প্ৰতিযোগিতাখনত  অসম পদকতালিকাৰ দহ্ নম্বৰ স্থানত আছে। উদ্বোধনী বৰ্ষৰ খেলো ইণ্ডিয়া বীচ্ছ্ গেমচত মুঠ ছবিধ খেল অন্তৰ্ভুক্ত কৰা হৈছে। এই তালিকাত পাঁচটা সোণসহ মুঠ ১৩ টা পদকেৰে মণিপুৰ শীৰ্ষ স্থানত আছে।

oooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি লক্ষ্ণৌৰ একানা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ৪২ ৰানত পৰাস্ত কৰে। ২৩২ ৰানৰ বিজয় লক্ষ্যৰে খেলিবলৈ লোৱা বেংগালুৰুৰ দলটোৱে নিৰ্ধাৰিত অভাৰ শেষ হ'বলৈ এটা বল বাকী থকা অৱস্থাত আটাইকেইটা উইকেট হেৰুৱাই ১৮৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। ১৪ অভাৰলৈ দলটোৰ প্ৰদৰ্শন আশাব্যঞ্জক আছিল যদিও ইয়াৰ পাছত মাত্ৰ ১৬ ৰানতেই শেষৰ ৭টা উইকেট হেৰুৱাই পৰাজয়ৰ দিশে গতি কৰে। ছানৰাইজাৰ্ছ হায়দৰাবাদৰ হৈ পেট কামিন্সে ৩টা আৰু এশ্বান মালিংগাই দুটা উইকেট লাভ কৰে।

ইয়াৰ পূৰ্বে ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ২৩১ ৰান সংগ্ৰহ কৰে। দলৰ হৈ ঈশান কিষাণে মাত্ৰ ৪৮টা বলত ৯৪ ৰান কৰি আউট নোহোৱাকৈ থাকে। বেংগালুৰুৰ হৈ ৰোমাৰিঅ' শ্বেফাৰ্ডে দুটা উইকেট লাভ কৰে। ঈশান কিষাণক প্লেয়াৰ অৱ দ্যা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত পঞ্জাব কিংছ দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

oooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বৈঠক, বাংলাদেশত ৰাজনৈতিক অস্থিৰতা, উত্তৰ-পূবত বৃহৎ বিনিয়োগৰ সম্ভাৱনা, তীব্ৰ প্ৰতিবাদত স্তব্ধ দুলীয়াজান আদি বিভিন্ন বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে।

নতুন দিল্লীত অনুষ্ঠিত ৰাইজিং নৰ্থ-ইষ্ট বিনিয়োগকাৰী সন্মিলন উদ্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূবৰ উন্নয়ন অবিহনে বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাটো অসম্ভৱ বুলি মন্তব্য কৰাৰ বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে শিৰোনামৰ বাতৰি হিচাপে প্ৰকাশ কৰিছে।

কানিমোঝি কৰুণানিধি নেতৃত্বাধীন ভাৰতীয় সাংসদৰ প্ৰতিনিধি দলটো মস্কো বিমান বন্দৰত ইউক্ৰেইনৰ ড্ৰোন আক্ৰমণৰ পৰা কথমপি ৰক্ষা পৰাৰ এটা বাতৰিক **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

বাংলাদেশত দেখা দিয়া শেহতীয়া ৰাজনৈতিক অস্থিৰতাৰ মাজতে সামৰিক বাহিনীৰ সৈতে সংঘাতৰ সন্মুখীন হোৱা দেশখনৰ অন্তৰ্বৰ্তী চৰকাৰৰ মুৰব্বী মহম্মদ ইউনিছে পদত্যাগৰ ভাবুকি দিছে। এই বাতৰি **দৈনিক জনমভূমি** কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে। একেটা বাতৰিকে **দি আছাম ট্ৰিবিউন** কাকতখনে Md Yunus Planning To Resign শিৰোনামেৰে সবিস্তাৰে প্ৰকাশ কৰিছে।

প্ৰাক্তন ছাত্ৰ নেতা শংকৰজ্যোতি বৰুৱাক বিনা চৰ্তে মুক্তিৰ দাবীত এঘাৰটাকৈ জাতীয়-জনগোষ্ঠীয় দল-সংগঠনে আহ্বান জনোৱা দুলীয়াজান বন্ধৰ পৰিপ্ৰেক্ষিতত কালি চহৰখনৰ স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত হোৱাৰ বাতৰি **নিয়মীয়া বাৰ্তা, অসমীয়া খবৰ** আদিকে ধৰি প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

যোৰহাট-মাজুলী সংযোগী দলঙৰ নিৰ্মাণকাৰ্য নতুন ঠিকাদাৰ নিযুক্তিৰ দুবছৰৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয় আৰু ৰাজ্যৰ গড়কাপ্তানী বিভাগে লক্ষ্য নিৰ্ধাৰণ কৰিছে। এই বাতৰিটো **দা ছেণ্টিনেল** কাকতে অন্যতম মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

হাৰ্ভাড বিশ্ববিদ্যালয়ত বিদেশী নামভৰ্তিত নিষেধাজ্ঞা- ভাৰতকে ধৰি ১৪০ খন দেশৰ শিক্ষাৰ্থীৰ হাহাকাৰ- এই শিৰোনামৰ এটা বিশেষ বাতৰিক **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

জম্মু-কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীৰ বৰ্বৰ আক্ৰমণত প্ৰাণ হেৰুওৱা ভাৰতীয় নৌসেনাৰ লেফটেনেণ্ট বিনয় নাৰৱালৰ পৰিয়াললৈ অসম চৰকাৰৰ হৈ মন্ত্ৰী কেশৱ মহন্তই সমবেদনা জ্ঞাপন কৰাৰ লগতে ৫ লাখ টকাৰ চেক প্ৰদান কৰা এটা বাতৰিক দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

oooooo

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ পৰাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

ইফালে, বৰঝাৰস্থিত আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই অহা পাঁচ দিনলৈ অসমসহ উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যৰ বতৰ ডাৱৰীয়া হৈ থাকিব বুলি জানিবলৈ দিছে। এই সময়ছোৱাত ঠাই বিশেষে ধাৰাষাৰ আৰু বেছিভাগ অঞ্চলতে পাতলীয়া বৰষুণ হ'ব বুলি আগজাননী প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান কেন্দ্ৰৰ তথ্য অনুসৰি কাইলৈৰ পৰা বৰষুণৰ মাত্ৰা অধিক হ'ব আৰু সৰ্বাধিক তাপমাত্ৰাৰো তাৰতম্য ঘটিব। ইফালে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা তিনি দিনৰ ভিতৰত কেৰালাত সাগৰীয় উপকূলেৰে ভাৰতত দক্ষিণ-পশ্চিম মৌচুমী বতাহে প্ৰৱেশ কৰিব বুলি কালি প্ৰকাশ কৰিছে।

oooooo

সমাপ্ত